# Integrated Agromet Advisory Service bulletin
## Karbi Anglong District, Assam
**(Period - 13.09.2014 to 17.09.2014)**

**Issued by IAAS, RARS, Diphu,**
**Assam Agricultural University**
**(Prepared based on weather forecast received from RMC, Guwahati)**

**Bulletin no. 69 / 2014** **Date of Issue: 12.09.14**

গুৱাহাটীস্থিত ভাৰত চৰকাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা পোৱা বতৰৰ আগলি বতৰা অনুযায়ী জিলাখনত অহা ১৩, ১৪, ১৫, ১৬ আৰু ১৭ ছেপটেম্বৰ, ২০১৪ ত সৰ্বোচ্চ আৰু সৰ্বনিম্ন উষ্ণতা যথাক্ৰমে ৩২.০০ পৰা ৩৩.০০ আৰু ২১.০০ পৰা ২২.০০ ডিগ্ৰী চেলছিয়াচ হোৱাৰ সম্ভাৱনা আছে। আকাশ ডাৱৰীয়া থকাৰ লগতে ১০৬ মি: মি: বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সপ্তাহটোত পুৱাভাগত আদ্ৰতা ৯০ পৰা ৯৫ শতাংশ আৰু দুপৰিয়াভাগত আদ্ৰতা ৪৯ পৰা ৫০ শতাংশ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে।

বতৰৰ সম্ভাব্য অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্বি আংলং জিলাৰ কৃষক সকলৰ বাবে আগবঢ়োৱা পৰামৰ্শ সমূহ হল—

১) শালিধানৰ মৰি যোৱা গোচা বোৰ আতৰাই তাৰ ঠাইত একে বয়সৰ গোচা ৭-১০ দিনৰ ভিতৰত ৰুই খালি অংশ পুৰ কৰিব লাগে । পোখা মেলা অৱস্থাত চৰহা পোকে ধৰিলে কুইনলফছ নামৰ কীটনাশকদ্ৰব্য ২ চামুছ ৫ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিলে এই পোকৰ আক্ৰমণৰ পৰা খেতিদৰাক ৰক্ষা কৰিব পাৰি ।

২) এই সময়খিনি কুহিয়াৰ গুৰিত দ্বিতীয় বাৰ মাটি চপাই দিব লাগে। কুহিয়াৰ পাত ৰঙা পৰা বেমাৰ লগা দেখিলে সেই গছ উঠাই পেলাব লাগে আৰু পথাৰত জমা হোৱা অতিৰিক্ত পানী পথাৰৰ পৰা উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

৩) উন্নত মানৰ আৰু অধিক উৎপাদনক্ষম মগু মাহ (যেনে – টি-৪৪, কপাৰগাঁও আদি) আৰু মাটি মাহ (যেনে – টি-৯, টি-২৭ আদি) ৰ জাতবোৰ বীজ সিচিঁবৰ বাবে সংগ্ৰহ কৰিব লাগে।

৪)	কলগছ লেৰেলি যোৱা বেমাৰ (পানামা উইলট্) হলে ১ শতাংশ বৰডক্স মিক্সাৰ প্ৰয়োগ কৰিব লাগে আৰু জমা হোৱা অতিৰিক্ত পানী পথাৰৰ পৰা উলিয়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

৫)	কৃষক সকলে পানী যোগানৰ ব্যৱস্থা কৰি দ পথাৰত নাৰিকলৰ গছ ৰুব পাৰে । নাৰিকল গছত হোৱা মুকুত পচা বেমাৰৰ পৰা ৰক্ষা পাবলৈ প্ৰতি জোপা গছত ২৫ গ্ৰাম বৰাক্স প্ৰয়োগ কৰিব লাগে ।

৬)	আগতীয়া ফুলকবি ৰুবৰ বাবে মূল পথাৰ প্ৰস্তুত কৰোতে প্ৰতি বিঘা মাটীত ১২ কি: গ্ৰা: ইউৰিয়া, ৪২ কি: গ্ৰা: একক ছুপাৰ ফছফেট আৰু ১০ কি: গ্ৰা: এম. অ. পি. প্ৰয়োগ কৰিব লাগে । পুলিবাৰীৰ পৰা ২০-২৫ দিনীয়া ভাল আৰু বেমাৰ নথকা আগতীয়া ফুলকবিৰ পুলিবোৰ সংগ্ৰহ কৰি ৪৫x৪৫ দূৰত্বত মূল পথাৰত ৰুব লাগে ।